6

# শাক পাচলিৰ পাম


QRickit

0124CH06




ৰুমী আৰু চামিয়ে পথাৰৰ পৰা শাক পাচলি অনাত ইজনে সিজনক সহায় কৰিছে। দুয়োজনে খৰাহীত খৰাহীত শাক পাচলি চিঙিছে। তেওঁলোক দুয়োজনে কিমান শাক পাচলি চিঙিলে চাওঁ আহা।


not to be republished



ৰুমীৰ খৰাহী




চামিৰ খৰাহী




দুয়োজনৰ আছে

ক. ৭টা বিলাহী আৰু ৫টা বিলাহী লগলাগি মুঠতে ১২টা বিলাহী।


৭ + ৫ = ______






খ. এটা খৰাহীত ৯টা গাজৰ আৰু আন এটা খৰাহীত ৪টা গাজৰ।

৯ + ৪ = ______





গ. এটা খৰাহীত ৮টা মুলা আৰু আন এটা খৰাহীত ৮টা মুলা আছিল।

৮ + ৮ = ______



## প্ৰকল্প

তোমাৰ বিদ্যালয়ত, ঘৰত নাইবা ওচৰৰ কোনো ঠাইত যিকোনো এজোপা শাক পাচলিৰ পুলি ৰোৱা। পুলিটোক প্ৰতিপালন কৰি তোমাৰ কেনে অনুভৱ হৈছে তোমাৰ পৰিয়ালক জনোৱা। তুমি কাগজত বাঢ়ি অহা পুলিৰ চিত্ৰ আঁককিব পাৰা নাইবা ফটো লব পাৰা।

© NCERT not to be republished

## খেলো আহা









© NCERT not to be republished

## তুমি মালাত এই সংখ্যাকেইটা কেনেকৈ যোগ কৰিবা *দেখুওৱা*।


13 + 4 =





14 + 5 =



6 + 8 =



5 + 7 =



## জপিওৱা আৰু যোগফল নিৰ্ণয় কৰা।

| | | | | | | | | | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 | 12 | 13 | 14 | 15 | 16 | 17 | 18 | 19 | 20 |

8 + 5 = 13      5 + 3 = 8

13 + 3 = ☐      ☐ + ☐ = 13

2 + 16 = ☐      ☐ + ☐ = 10

4 + 12 = ☐      ☐ + ☐ = 18

## তোমাৰ নিজৰ পদ্ধতিৰে যোগ কৰা।

ক. স্বপ্নাৰ ১২ডাল ৰঙীন পেঞ্চিল  আৰু গৌৰিৰ ৬ডাল ৰঙীন পেঞ্চিল  . আছে। মুঠতে কিমান পেঞ্চিল আছে ?

স্বপ্নাই ১২ডাল পেঞ্চিল গননা কৰিলে আৰু তাৰ পাছত ৬ডাল পেঞ্চিল আৰু মুঠ ১৮ ডাল পালে।

১২ + ৬ = ১৮




যোগৰ প্ৰক্ৰিয়াবোৰ আলোচনা কৰা। কেনেকৈ লৰা-ছোৱালীবোৰে প্ৰথমে ১২ গননা কৰে আৰু পাছত ৪ যোগ দিয়ে ? তেওঁলোকে কি কি পদক্ষেপ গ্ৰহণ কৰিছিল আলোচনা কৰক।



© NCERT not to be republished

গৌৰীয়ে এইটো এনেকৈ কৰিছিল

১২ + ৬

১০ + ২ + ৬

১০ + ৮ = ১৮

তুমি ইয়াক অন্য ধৰণে কৰিব পাৰিবানে ?
চেষ্টা কৰা আৰু শিক্ষকৰ সৈতে আলোচনা কৰা।




খ. অমনৰ ৮টা লাড়ু আছে আৰু চিৰঞ্জিতে আৰু ৬টা লাড়ু আনিলে। মুঠতে কিমান লাড়ু আছে ? ☐



গ. চিনাৰ ওচৰত ১২ডাল খাৰু আছে তাইৰ ভনীয়েকে আৰু ৬ডাল দিলে। তাইৰ ওচৰত এতিয়া মুঠতে কিমানডাল খাৰু আছে ? ☐






## কৰি চাওঁ আহা

তুমি পিকনিকলৈ কি নিবলৈ পছন্দ কৰা ? তোমাৰ বন্ধুৰ সৈতে আলোচনা কৰা। তুমি পিকনিকলৈ নিব বিছৰা বস্তুবোৰ আঁকা আৰু তলৰ খালী ঠাইত খোৱা বস্তুবোৰ লিখা।





© NCERT not to be republished

## বিয়োগ

আৰু কিছুমান সংখ্যা বিয়োগ কৰা আৰু লিখা



15 – 9 = 6

| | | | |
|---|---|---|---|
| A. |  16 – 4 = | B. |  12 – 5 = |
| C. |  14 – 7 = | D. |  16 – 6 = |
| E. |  15 – 5 = | F. | 15 – 0 = |
| G. | 17 – 9 = | H. | 13 – 3 = |

© NCERT not to be republished

## জপিওৱা

অঞ্জলি আৰু ৰেণুৱে জপিওৱা খেল খেলি আছে।






## কৰি চাওঁ আহা

খেলপথাৰত নাইবা তোমালোকৰ ঘৰত এডাল সংখ্যাৰ ষ্ট্ৰিপ বনাই একেটা ঘৰ পোৱাৰ বেলেগ বেলেগ পদ্ধতিবোৰ নিৰ্ণয় কৰা।

### যোগ কৰা, বিয়োগ কৰা আৰু মিলোৱা

| | | |
|---|---|---|
| 8 + 7 | 12 | 15 – 3 |
| 9 + 9 | 15 | 18 – 1 |
| 10 + 2 | 14 | 17 – 2 |
| 16 + 1 | 17 | 18 – 0 |
| 11 + 3 | 18 | 16 – 2 |

এনে ধৰণৰ আৰু প্ৰশ্ন তৈয়াৰ কৰক আৰু ছাত্ৰ-ছাত্ৰীক নিজা প্ৰক্ৰিয়াৰে সমাধান কৰিবলৈ দিয়ক।



© NCERT not to be republished

## সমস্যাৰ লগত জড়িত কাহিনী

**বাকচত উত্তৰবোৰ লিখা।**

ক. এজন কুমাৰৰ ৯খন চাকি আছিল। তেওঁ ৫খন চাকি বিক্ৰী কৰিলে। তেওঁৰ হাতত এতিয়া কিমান চাকি বাকী থাকিব ? ☐



খ. ৬জন লৰা-ছোৱালী প্ৰথম বাচ ষ্টপত বাচত বহে। দ্বিতীয় ষ্টপত আৰু ৮জন লৰা-ছোৱালী বাচত উঠে। তৃতীয় বাচ ষ্টপত ৭জন লৰা-ছোৱালী বাচৰ পৰা নামি যায়। তৃতীয় বাচ ষ্টপত কিমানজন লৰা-ছোৱালী বাচখনত থাকিব ? ☐




© NCERT not to be republished

গ. এখন বাচত ১৮খন আসন আছে। ৯জন লৰা-ছোৱালীয়ে ইতিমধ্যে বহি আছে। আৰু কিমানজন লৰা-ছোৱালীয়ে বাচখনত বহিব পাৰিব? ☐

ঘ. কুলজিতৰ বাকচত ১৪টা মৰ্টন আছিল। তাৰে কিছুমান তাইৰ বন্ধু-বান্ধৱীক বিলাই দিলে। তাইৰ হাতত এতিয়া ৬টা মৰ্টন আছে। তাই কিমান মৰ্টন তাইৰ বন্ধু-বান্ধৱীক বিলাই দিলে ? ☐

ঙ. ৰমনৰ ওচৰত ১২টা কল আছিল আৰু তাৰে কেইটামান সি খালে। তাৰ ওচৰত এতিয়া ৫টা কল আছে। সি কেইটা কল খালে ? ☐